# খোতবা জুমা

**ছৈয়্যদিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ২৫ জুন তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ উচ্চ মৰ্যাদা সম্পন্ন খলিফা ৰাশেদ ফাৰুকে আজিম হজৰত উমৰ ফাৰুক বিন খাত্তাব (ৰাঃ)ৰ প্ৰশংসনীয় গুণাৱলীৰ চমু বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আগৰে পৰাই হজৰত উমৰ (ৰাঃ)ৰ জীৱন স্মৃতি সম্পৰ্কে বৰ্ণনা চলি আহি আছে, আজিও সেই বৰ্ণনা আগলৈ চলিব। জায়েদ বিন আছলাম নিজৰ দেউতাক আছলামৰ পৰা শুনি বৰ্ণনা কৰিছে যে তেখেতে এবাৰ হজৰত উমৰ (ৰাঃ)ৰ লগত মদিনাৰ পৰা তিনি মাইল আঁতৰত অৱস্থিত জাৰাৰ নামক ঠাইত অৱস্থান কৰিছিল। তাত এজন অতিথিক অতিমাত্ৰা ঠাণ্ডাৰ কাৰণে আৰু ৰাতি হৈ যোৱাৰ বাবে ৰৈ থকাটো তেখেত (ৰাঃ)য়ে পৰিলক্ষিত কৰিছিল। হজৰত উমৰ (ৰাঃ)য়ে তেওঁলোকৰ ওচৰলৈ আগুৱাই গৈ দেখিবলৈ পাইছিল যে তাত এজনী মহিলায় তাইৰ সন্তান সকলক লৈ ৰাতিটোৰ বাবে অপেক্ষা কৰি ৰৈ আছে আৰু চৰু এটা আখলত জুই দি বহাই থৈছে। ল'ৰা-ছোৱালী বিলাকে ভোকৰ তাড়নাত কান্দি আছে। হজৰত উমৰ (ৰাঃ)য়ে সেই মহিলাজনীক সেই ল'ৰা-ছোৱালী বিলাকৰ কান্দোনৰ কাৰণ সোধাত তাই কৈছিল যে এওঁলোকে ভোকৰ তাড়নাত কান্দি আছে। তেতিয়া ফাৰুক (ৰাঃ)য়ে সুধিছিল যে আপুনি সেই চৰুত কি ৰান্ধি আছে? মহিলাজনীয়ে উত্তৰত কৈছিল যে সেই চৰুটোত কেৱলমাত্ৰ পানী আছে আৰু তাৰ জৰিয়তে মই ল'ৰা-ছোৱালী বিলাকক প্ৰবোধ মনাই আছো যাতে এওঁলোকে শুই পৰে। তাৰ পিছত মহিলাজনীয়ে কৈছিল- আল্লাহ আমাৰ আৰু হজৰত উমৰ (ৰাঃ)ৰ মাজত যেন বিচাৰ কৰে। তেখেত (ৰাঃ)য়ে কৈছিল যে হে মহিলা! আল্লাহ তা'লা তোমাৰ ওপৰত দয়া কৰক। উমৰ (ৰাঃ)য়ে তোমালোকৰ এই অৱস্থা সম্পৰ্কে কেনেকৈ গম পাব? তেতিয়া সেই মহিলা জনীয়ে কৈছিল যে হজৰত উমৰ (ৰাঃ)আমাৰ সকলো বিষয়ৰে পৰিচালক (লক্ষ্য ৰাখোঁতা) কিন্তু আমাক আওকাণ কৰি আছে। আছলামে কৈছে যে হজৰত উমৰ (ৰাঃ)য়ে মক্কা আৰু মদিনাৰ মাজৰ কেইবা ঠাইতে অতিথি খানা স্থাপন কৰোৱাইছিল, য'ত অতিথি সকলৰ বাবে প্ৰয়োজনীয় সকলো বস্তুৰ যোগান ধৰা হৈছিল। তেখেত (ৰাঃ)য়ে তৎক্ষণাত বেগেৰে গৈ এটা খাদ্য দ্ৰব্যৰ গুদামত উপস্থিত হৈ এবস্তা খাদ্য দ্ৰব্য আৰু সৰু তেলৰ ড্ৰাম এটা আনি কৈছিল যে এইবোৰ মোৰ মূৰত তুলি দিয়া। আছলামে কৈছে যে মই তেখেত (ৰাঃ)ক আবেদন কৰিছিলোঁ যে আপোনাৰ সলনি মই এইবোৰ কঢ়িয়াই লৈ যাওঁ। কিন্তু হজৰত উমৰ (ৰাঃ)য়ে এনেকৈয়ে দুই তিনিবাৰ কৈছিল যে মোৰ মূৰত তুলি দিয়া। অৱশেষত মোৰ আঁকোৰ-গোজালি চাই হজৰত উমৰ (ৰাঃ)য়ে

কৈছিল; তোমাৰ কল্যাণ হওঁক। কিয় ! কিয়ামতৰ দিনাও তুমি মোৰ বোজা বহন কৰিবানে ? ইয়াৰ পিছত হজৰত উমৰ (ৰাঃ)য়ে সেই বোজা মূৰত লৈ বেগেৰে সেই মহিলাজনীৰ ওচৰত গৈ উপস্থিত হৈছিল। আহাৰ সাজ বনোৱাত সেই দৰিদ্ৰ মহিলা জনীক সহায় কৰি দিছিল আৰু সেই সময়লৈকে তাতে অপেক্ষা কৰি আছিল যেতিয়ালৈকে ল'ৰা-ছোৱালী বিলাকে পেট ভৰাই খাই শুই পৰা নাছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে হজৰত উমৰ (ৰাঃ)ৰ ভয় আৰু দপদপনি ক্যায়চৰ আৰু কিছ্ৰাৰ সাম্ৰাজ্য কপি উঠিছিল কিন্তু সেই উমৰ (ৰাঃ)য়ে সাধাৰণ এজনী অঘৰী মহিলাৰ সন্তানক ভোকাতুৰ অৱস্থাত থকা দেখি ব্যাকুল হৈ উঠিছিল। তেওঁলোকৰ বাবে মানবীয় মৌলিক আৱশ্যকতা পুৰণাৰ্থে চেষ্টা কৰাটো ইছলামী শাসনৰ দায়িত্ব। অভাৱগ্ৰস্ত সকলক যি পেন্সন (বৃত্তি) দিয়া হৈছিল,এয়া অকৰ্মণ্যতা আৰু এলাহ জন্মোৱাৰ বাবে দিয়া নাছিল। ইছলামে যেনেকৈ দৰিদ্ৰ শ্ৰেণীক ৰক্ষণা-বেক্ষণ দিয়াৰ নিৰ্দেশ দিয়ে তেনেকৈ খুজি-মাগি লোৱাটো অৰ্থাৎ ভিক্ষা বৃত্তিত বাধা প্ৰধান কৰে। এবাৰ হজৰত উমৰ (ৰাঃ)য়ে এজন ভিক্ষাৰীক দেখিছিল যে মোনাটো আটাৰে ভৰ্তি হৈ গৈছে তথাপি তেওঁ আৰু ভিক্ষা মাগি আছে। তেখেত (ৰাঃ)য়ে সেই ভিক্ষাৰীৰ পৰা আটাখিনি লৈ আনি উটৰ আগত ঢালি দি কৈছিল- যোৱা এতিয়া আৰু ভিক্ষা মাগি লোৱাগৈ।

হজৰত উমৰ (ৰাঃ)ৰ মুক্তি প্ৰাপ্ত গোলাম আছলামে আৰু এটা ঘটনা এনেদৰে বৰ্ণনা কৰিছে যে এবাৰ এটা বনিকৰ দল মদিনালৈ আহে। হজৰত উমৰ (ৰাঃ)য়ে হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)ক লগত লৈ সেই দলটোক পহৰা দিবলৈ গৈছিল। তেতিয়া এজন নিচেই সৰু ল'ৰাৰ কান্দোনে তেখেত (ৰাঃ)ক ব্যাকুল কৰি তুলিছিল। হজৰত উমৰ (ৰাঃ)য়ে শিশুটোৰ মাকক নিজৰ শিশুৰ তত্বাৱধান কৰিবলৈ মনোযোগ আকৰ্ষণ কৰে তথাপি গোটেই ৰাতি সেই ল'ৰাটোৰ কান্দোন আৰু উচুপনিৰ শব্দ শুনিবলৈ পাইছিল। ৰাতিপুৱাতে এখেত (ৰাঃ)য়ে সেই মহিলা জনীৰ তম্বুলৈ গৈ কেচুৱা জনৰ কান্দোনৰ কাৰণ জানিব বিচাৰে। তেতিয়া কেচুৱা জনৰ মাকে কৈছিল যে মই এওঁক স্তন পান কৰা এৰুৱাই বেলেগ খাদ্যৰ ফালে নিবলৈ চেষ্টা কৰি আছো কিন্তু তেওঁ স্তন পান কৰিব বিচাৰে। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে মহিলা জনীক সুধিছিল যে আপুনি কিয় তেনেকুৱা কৰিব বিচাৰে ? মহিলা জনীয়ে উত্তৰত কৈছিল যে উমৰ (ৰাঃ)য়ে কেৱল সেইসকল ল'ৰা-ছোৱালী (কেচুৱাৰ)ৰ পেন্সন নিৰ্ধাৰণ কৰে যিবিলাকে পিয়াহ খাবলৈ এৰি দিয়ে। তেখেত (ৰাঃ)য়ে কেচুৱাটোৰ বয়স কিমান বুলি সুধি পেলাই কয় ইমান সোনকালে পিয়াহ খোওৱা এৰুৱাব নালাগে। সেই দিনাখন হজৰত উমৰ (ৰাঃ)য়ে যেতিয়া লোকক ফজৰৰ নমাজ পঢ়োৱাই আছিল তেতিয়া কান্দোনৰ শব্দ কাণত পৰাত তেখেত (ৰাঃ)ৰ কোৰ-আন পাঠ স্পষ্ট হোৱা নাছিল। হজৰত উমৰ (ৰাঃ)য়ে তেতিয়া নিজকে নিজে কৈছিল হে উমৰ ! তোমাৰ অমঙ্গল হওঁক! তুমি যে কিমান মুছলমান কেচুৱাক ধ্বংস (হত্যা) কৰি পেলাইছা। ইয়াৰ পিছতেই তেখেত (ৰাঃ)য়ে ঘোষণা কৰি দিছিল আৰু গোটেই দেশত এয়া নিৰ্দেশ জাৰি কৰি দিছিল যে কেচুৱাক পিয়াহ খোৱা এৰুৱাবলৈ সোনকালে কৰিব নালাগে; আমি জন্ম হোৱা সকলো কেচুৱাৰ বাবে পেন্সন নিৰ্ধাৰণ কৰিম।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে এদিন ৰাতি হজৰত উমৰ (ৰাঃ)য়ে পহৰাৰত হিচাপে বাহিৰত ঘূৰি-পকি আছিল এনেতে তেখেত (ৰাঃ)য়ে এজনী মহিলাৰ ছন্দময়ী কবিতাৰ প্ৰেম আপ্লুত পংক্তি পাঠ কৰাৰ কণ্ঠস্বৰ শুনিবলৈ পাইছিল। তেখেত (ৰাঃ)য়ে অনুসন্ধান কৰি জানিব পাৰিছিল যে মহিলা গৰাকীৰ স্বামী সৈন্য দলত ভৰ্ত্তি আছে আৰু বহু দিন ধৰি বাহিৰত আছে। এয়া পৰিলক্ষিত কৰি হজৰত উমৰ (ৰাঃ)য়ে নিৰ্দেশ জাৰি কৰিছিল যে কোনো চিপাহী চাৰি মাহতকৈ অধিক কাল বাহিৰত থাকিব নালাগে (অৰ্থাৎ চাৰি মাহ পিছে পিছত

ছুটি পাই থাকিব)

এনেদৰে আন এদিন ৰাতি হজৰত উমৰ (ৰাঃ)য়ে মদিনাৰ আশে-পাশে থকা ঠাই এখনত আছিল।এটা তম্বুৰ পৰা কোনোবা এজনী মহিলাই প্ৰসৰ বেদনাত কষ্ট পোৱাৰ শব্দ শুনিবলৈ পাইছিল। আমিৰুল মোমিনিন (ৰাঃ)য়ে সেই মহিলাজনীৰ বিষয়ে জানিব বিচৰাত মহিলাজনীৰ স্বামীয়ে জনাইছিল যে তেওঁলোক প্ৰবাসী তেওঁলোকৰ ওচৰত একোৱে নাই। তেতিয়া এয়া শুনি হজৰত উমৰ (ৰাঃ)য়ে ঘৰলৈ ওভতি আহি নিজৰ পত্নী হজৰত উম্মে কুলচুম বিনতে আলি আৰু অশৌচত লাগতীয়াল বস্তু বাহানী,আটা,তেল আদি লৈ আকৌ সেই মহিলা জনীৰ ওচৰলৈ গৈছিল। তেখেত (ৰাঃ)য়ে মহিলাজনীৰ স্বামীৰ লগত বাহিৰত বহি আছিল,এনেতে হজৰত উম্মে কুলচুম (ৰাঃ) আহি জনাইছিল যে হে আমিৰুল মোমিনিন ! আপোনাৰ লগত বহি থকা জনক পুত্ৰ সন্তানৰ সুসংবাদ দিয়ক ।যেতিয়া সেই ব্যক্তিজনে আমিৰুল মোমিনিনৰ এই শব্দ শুনিবলৈ পাইছিল, তেতিয়াহে ব্যক্তিজনে গম পাইছিল যে এখেত হজৰত উমৰ (ৰাঃ)।

হজৰত আলি (ৰাঃ)য়ে কৈছে যে এবাৰ মই হজৰত উমৰ (ৰাঃ)ক বেগেৰে কৰবালৈ গৈ থকা দেখি সুধিছিলো হে আমিৰুল মোমিনিন ! আপুনি কলৈ গৈ আছে ? হজৰত উমৰ (ৰাঃ)য়ে উত্তৰ দিছিল যে ছাদকাৰ এটা উট গুচি গৈছে তাকে বিচাৰি গৈ আছো। হজৰত আলি (ৰাঃ)য়ে কৈছিল যে আপুনি আপোনাৰ পিছত আহিবলগীয়া খুলাফা সকলৰ বাবে বৰ কঠিন বাট বনাই আছে। এয়া শুনি হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে মোৰ দোষ নধৰিবা। তাৰেই শপত যিজনাই মহম্মদ (ছাঃ)ক নবুয়তৰ সৈতে প্ৰেৰণ কৰিছে; যদি ছাগলীৰ পোৱালী এটাও ফুৰাত নদীৰ কিনাৰত নষ্ট হৈ যায় তথাপি কিয়ামতৰ দিনা উমৰে তাৰ বাবে দায়ী হ'ব লাগিব।

এটা বৰ ডাঙৰ ঈছাই কবিলাৰ চৰ্দাৰ জবিলা বিন এহম মুছলমান হয়,তেওঁ হজ্ব কৰিবলৈ যোৱাত মানুহৰ ভীৰ জমাটৰ মাজত কোনোবা দৰিদ্ৰ মুছলমান এজনৰ ভৰি তাৰ ভৰিৰ ওপৰত আহি পৰাত তেওঁ দৰিদ্ৰ লোক জনক চ'ৰ সুধাই দিছিল। তেতিয়া কোনোবা এজন লোকে জবিলাক কৈছে যে হজৰত উমৰ (ৰাঃ)য়ে জানিলে এই মুছলমান জনৰ প্ৰতিশোধ তোমাৰ ওপৰত ল'ব। এই কথাবোৰ শুনি জবিলা হজৰত উমৰ (ৰাঃ)ৰ ওচৰলৈ যায় আৰু আৰু প্ৰশ্ন কৰে যে যদি কোনো প্ৰতাপী ডাঙৰ লোক এজনে কোনো নগন্য লোক এজনক চ'ৰ সুধাই দিয়ে তেন্তে আপুনি কি বিচাৰ কৰিব ? তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কৈছিল ইছলামত সৰু ডাঙৰ বুলি ভেদাভেদ নাই। তেখেত (ৰাঃ)য়ে সুধিছিল যে জবিলা! কৰবাত তুমিয়েই তো এনেকুৱা ভুল কৰি পেলোৱা নাই ? তেতিয়া জবিলা মিছা কথা কৈছিল আৰু কৈছিল যে মই এনেয়ে আপোনাক এটা কথা সুধিছো,এই বুলি জবিলা তাৰ পৰা গুচি আহি নিজৰ কবিলাৰ সৈতে মুৰতাদ (ইছলাম ত্যাগ) হৈ ইছলামী শাসনৰ বিৰুদ্ধে ৰোমৰ যুদ্ধত অংশ লৈছিল, কিন্তু হজৰত উমৰ (ৰাঃ)য়ে সেইবোৰলৈ ভ্ৰূক্ষেপ কৰা নাছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এয়া সেই বলবীৰ্য্যৰ প্ৰতিদ্বন্দ্বিতা আছিল য'ত মুছলমান সকলে ইছলামী শাসন প্ৰতিষ্ঠিত কৰিছিল আৰু আজি সেয়া ইছলামী শাসক সকলৰ বাবে এটা শিক্ষনীয় পাঠ স্বৰূপ হৈ আছে।

হজৰত উমৰ (ৰাঃ)ৰ গুণাৱলী সম্পৰ্কে বৰ্ণনা আগলৈ ইনশা আল্লাহ আৰু চলিব বুলি কোৱাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে চাৰিজন মৰহুমিনৰ বিষয়ে চমু বৰ্ণনা আৰু নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

ইয়াৰে প্ৰথমজন মৰহুমৰ নাম হ'ল মকৰম আব্দুল ওয়াহেদুৱায়েচ চাহাব (ছদৰ জমাত ওয়াল্‌ত শ্বোট) জাৰ্মানি,প্ৰাক্তন ছদৰ খুদ্দামুল আহমদীয়া আৰু প্ৰাক্তন ছেক্ৰেটাৰী তৰবিয়ত চুইজাৰলেণ্ড। মৰহুমে ১২ মে ২০২১ চনত সফলতাৰে মাউণ্ট এভাৰেষ্টত আৰোহণ কৰি আহমদীয়তৰ পতাকা উৰুৱাৰ পিছত নামি আহোতে স্বাস্থ্যৰ

অৱনতি ঘটে আৰু ৪১ বছৰ বয়সত মৃত্যু বৰণ কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। তেওঁৰ মৃত্যুৰ সময়ত পত্নীৰ সৈতে তিনিজন পুত্ৰ,দুজনী জীয়েক,পিতৃ-মাতৃ,এজন ভাইয়েক আৰু দুজনী ভনীয়েকক এৰি থৈ গৈছে। মৰহুম এজন নিষ্ঠাবান খ্যাতনামা আহমদী আছিল। এখেতৰ মাজত মানৱ সেৱাৰ ব্যাকুল প্ৰৱণতা আছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে তেওঁ মোৰ লগত সাক্ষাৎ কৰিছিল আৰু সাতোটা ডাঙৰ শৃঙ্গ আৰোহণ কৰি তাত আহমদীয়তৰ পতাকা উত্তোলন কৰাৰ অনুমতি লৈছিল। তেওঁ মনে মনে ভয় কৰিছিল যে মই যেনিবা তাক এই বিষয়ে মানা কৰি নিদিওঁ। কিন্তু মই তেওঁক কৈছিলো যে যদি যাব পাৰা তেন্তে পতাকা উৰুৱাই থৈ আহিবা। মোৰ ধাৰণা হয় যে তেওঁ নেক উদ্দেশ্য আৰু প্ৰৱণতাৰ সৈতে ইছলাম আৰু আহমদীয়ত আৰু খোদা তা'লাৰ তৌহিদৰ বাৰ্ত্তা প্ৰচাৰ কৰাৰ চেষ্টা কৰিছে আৰু তাত কৃতকাৰ্য্যতাও লাভ কৰিছে আৰু এই উদ্দেশ্য আগত ৰাখি ভ্ৰমণ কৰোঁতেই আল্লাহ তা'লাৰ ওচৰত হাজিৰ হৈছে গৈ। তেওঁ নিশ্চয় শ্বহীদৰ মৰ্যাদা লাভ কৰিছে। আল্লাহ তা'লায় তেওঁক শ্বহীদ সকলৰ তালিকা ভুক্ত কৰক।

ইয়াৰ পিছৰজন মৰহুমাৰ নাম হ'ল মহতৰমা আমতুন নুৰ চাহিবা,পত্নী ডাক্তৰ আব্দুল মালিক শ্বামিল চাহাব ইবনে মৌলবী আব্দুল বাকি চাহাব। এখেত ১৫ জুন ২০২১ চনত ওৱাশিংটন আমেৰিকাত মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। তাই মৰহুমা চাহাবজাদি আমতুল ৰাশিদ বেগম চাহিবা আৰু মিয়া আব্দুৰ ৰহমান চাহাবৰ জীয়েক আছিল। তাই হজৰত মছীহ মাওউদ (আঃ)ৰ নাতিনীয়েকৰ জীয়েক আছিল। ইফালে হজৰত মুচলেহ মাওউদ (ৰাঃ) আৰু ছৈয়দা আমতুল হাই চাহিবাৰ নাতিনী,চাহাবী হজৰত মছীহ মাওউদ (আঃ) হজৰত প্ৰফেছৰ আলি আহমদ (বিহাৰ)ৰ পুতি আছিল।

ইয়াৰ পিছৰ জনী মৰহুমাৰ নাম আছিল মহতৰমা বিছমিল্লাহ বেগম চাহিবা পত্নী মকৰম নাছেৰ আহমদ খান চাহাব বাহাদুৰ (শ্বেৰ অফিচাৰ হিফাজতে খাচ), চাৰি নম্বৰত হ'ল মকৰম কৰ্ণেল জাবেদ ৰাশেদি চাহাব ইবনে চৌধুৰী আব্দুল্লা গনি চাহাব (ৰাউলপিণ্ডি) হুজুৰ (আইঃ)য়ে সকলো মৰহুমিনৰ বাবে ক্ষমা আৰু উন্নত মৰ্যাদা প্ৰাপ্তিৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

.....................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844